RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত — যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

...৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩৪৭ সোমবাৰ ১৬কাতি ১৯৪৭ শক ৩ নৱেম্বৰ ২০২৫ চন ASOMIYA KHABAR JORHAT MO...

## কানৈ মহাবিদ্যালয়ত সাতদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২ নৱেম্বৰ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ হিন্দী বিভাগ, সংস্কৃত বিভাগৰ উদ্যোগত আৰু ৰাজস্থানৰ জয়পুৰস্থিত একাডেমীয়া গৱেষণা কেন্দ্ৰৰ সহযোগত ২৪ অক্টোবৰৰপৰা অনুষ্ঠিত হোৱা-সাতদিনীয়া-অনলাইন কৰ্মশালাৰ ৩০ অক্টোবৰত সামৰণি পৰে। 'প্ৰাচীন নাগৰী লিপি' শীৰ্ষক এই কৰ্মশালাত কানৈ মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়স্থিত অন্যান্য মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে অংশগ্ৰহণ কৰে। ২৪ অক্টোবৰত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ভাৰতৰ পাণ্ডুলিপি সংৰক্ষণত এই ধৰণৰ কৰ্মশালাৰ প্ৰাসংগিকতা তথা প্ৰয়োজনীয়তাৰ সম্পৰ্কে অৱগত কৰাৰ লগতে এনেধৰণৰ কৰ্মশালা আয়োজনত মহাবিদ্যালয়ে সদায় প্ৰচেষ্টা চলাই যাব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষ ড° শইকীয়াই উদ্যোক্তা সমিতিক শলাগ লোৱাৰ লগতে ভৱিষ্যতেও এনে ধৰণৰ কৰ্মশালা অনুষ্ঠিত কৰি ভাৰতৰ পুৰণি অমূল্য সম্ভাৰসমূহ সংৰক্ষণ কৰাত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগায়। কৰ্মশালাখনৰ সমন্বয়ক তথা হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° লখিমা দেউৰীয়ে আঁতধৰা কৰ্মশালাত অনলাইন মাধ্যমেৰে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে নতুন দিল্লীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ প্ৰকল্প সহায়ক তথা লিপি বিশেষজ্ঞ আনন্দ শৰ্মাই। লিপি বিশেষজ্ঞ শৰ্মাই প্ৰশিক্ষণৰ সময়ছোৱাত অংশগ্ৰহণকাৰীসকলক প্ৰাচীন নাগৰী লিপি লিখিবলৈ আৰু পঢ়িবলৈ শিকায়। ৩০ অক্টোবৰত অনুষ্ঠিত কৰ্মশালাখনৰ সামৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য-সচিব ড° জ্যোতি প্ৰসাদ ফুকনে লিপি বিশেষজ্ঞ আনন্দ শৰ্মাৰ শলাগ লোৱাৰ লগতে তেওঁৰ লিপি বিশেষজ্ঞ হিচাপে থকা জ্ঞান আৰু অভিজ্ঞতাৰ ব্যাখ্যা কৰে। অংশগ্ৰহণকাৰীসকলৰপৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোঁচ দেউৰী, সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে কৰ্মশালাত লাভ কৰা অভিজ্ঞতাৰ ব্যাখ্যা কৰে। প্ৰাচীন নাগৰী লিপিৰ কৰ্মশালাৰ সমাপ্তিত সমন্বয়ক ড° লখিমা দেউৰীয়ে কৰ্মশালাৰ আয়োজনত সহায় কৰাসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

১৯৭১ ভিত্তিবৰ্ষক...

বন বিষয়...

## ডুমডুমা-...

আমাৰ খবৰ, ডুমডুমা, ২ নৱেম্বৰ ঃ তিনিচুকীয়া জিলাৰ ডুমডুমা বন সংমণ্ডলৰ অধীনস্থ ডুমডুমা নৈত দুটা আৰু মৈলাজান নৈত এটা—মুঠ তিনিটা বালিঘাট নিবিদা আহ্বান নকৰাকৈ অবৈধভাৱে চলাই আছে বুলি অভিযোগ উঠিছে। ডুমডুমা বনপ্ৰাধিকাৰী মৃগাংক বড়াই বছৰ বছৰ ধৰি বন সংমণ্ডলটোৰ অধীনস্থ বালিঘাটসমূহ নিবিদা আহ্বান নকৰিলে বুলি অভিযোগ উঠিছে। বন...

## বোকাখাত প...

আমাৰ খবৰ, বোকাখাত, ২ নৱেম্বৰ ঃ শতাধিক নামঘৰ আৰু আঠখন সত্ৰক সামৰি মহকুমাভিত্তিত প্ৰতিষ্ঠা কৰা সামাজিক-সাংস্কৃতিক-ধৰ্মীয় অনুষ্ঠান বোকাখাত মহকুমা পালনাম সমিতিৰ একাদশ ত্ৰি-বাৰ্ষিক সভাখন বোকাখাত ম'হমাইকী গাঁৱৰ নামঘৰত অনুষ্ঠিত কৰে। সমিতিৰ মুখ্য সম্পাদক দেৱানন্দ বড়াই উদ্দেশ্য ব্যাখ্যা কৰে। বিনন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সম্পাদকীয় প্ৰতিবেদনৰ লগতে হিচাপ পৰীক্ষকৰদ্বাৰা পৰীক্ষিত বিগত সময়ৰ আয়-ব্যয়ৰ খতিয়ান পাঠ কৰে গৃহীত হয়। সভাত প্ৰস্তাৱ যোগে বোকাখাত সম-জিলাৰ প্ৰশাসনিক এলেকা সামৰি বোকাখাত মহকুমা পালনাম সমিতিৰ পৰিৱৰ্তিত আৰু...

...তো ধনদাবী বী...
...হিষ্কৃত নেতা বি...
...ৰ আৰক্ষী জি...

ফটকা ফুটোৱা নিষিদ্ধ...
ভাবুকি দি বেপাৰীৰ প...
...াখ দাবী কৰি ডেৰ লাখ...
দিছপুৰ থানাত এজ...

...াফ ৰিপ'ৰ্টাৰ, ২ নৱেম্বৰ ঃ জাতি ৰক্ষাৰ নামত... ...াদিৰ দৰে নিকৃষ্ট কাণ্ডৰে চাঞ্চল্য সৃষ্টি কৰা... ...হিষ্কৃত নেতা বিকাশ অসমক আজি তিনিদিনৰ... ...াৰণ কৰিছে কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ... ...গীতৰ ৰাজপুত্ৰ জুবিন গাৰ্গৰ অন্তিম ছবি 'ৰৈ ৰৈ... ...বি দিছপুৰ থানাত আত্মসমৰ্পণ কৰিছিল বীৰ ল... ...তা বিকাশ অসমে। তাৰ পাছতে দিছপুৰ... ...ম্পৰ্কীয় এক গোচৰত গ্ৰেপ্তাৰ কৰিছিল বীৰ...

...াঞ্চলৰ পৰা জনাঞ্চললৈ...
...জাগড়, পানেৰী, মাজুলী,...

...তী-মানুহৰ সংঘাত...

...হত কৰ্...